অসম

লিখিত প্ৰতিশ্ৰুতি নোপোৱালৈকে চকাবন্ধ অব্যাহত ৰখাৰ ঘোষণা মটৰ পৰিবহণ সন্থাৰ

পৰিবহণ বিভাগৰ সৈতে বৈঠকত ইতিবাচক সঁহাৰি পোৱাৰ পাছতো চৰকাৰৰ পৰা লিখিত নিৰ্দেশনা নোপোৱালৈকে চকাবন্ধ অব্যাহত ৰাখিব সদৌ অসম মটৰ পৰিবহণ সন্থাই।

প্ৰকাশ: ২৬ নৱেম্বৰ ২০২৬, আবেলি ৫:১০



Motor transport shutdown to continue

দিছপুৰ:

সদৌ অসম মটৰ পৰিবহণ সন্থাৰ সৈতে পৰিবহণ বিভাগৰ আয়ুক্ত সচিব আকাশদীপ আৰু উচ্চ পৰ্যায়ৰ বিষয়াৰ বৈঠক ।জনতা ভৱনত অনুষ্ঠিত বৈঠকত মটৰ পৰিবহণ সন্থাৰ ৬ টা দাবী পূৰণ কৰাৰ আশ্বাস পৰিবহণ বিভাগৰ।

ৰাজ্যজুৰি চলি থকা চকাবন্ধ কাৰ্যসূচীৰ মাজতে দিছপুৰৰ জনতা ভৱনত পৰিবহণ বিভাগৰ সৈতে সদৌ অসম মটৰ পৰিবহণ সন্থাৰ এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। পৰিবহণ বিভাগৰ আয়ুক্ত-সচিব আকাশদীপ আৰু বিভাগটোৰ উচ্চপদস্থ বিষয়াসকলৰ সৈতে সন্থাৰ এটি প্ৰতিনিধি দল আলোচনাত মিলিত হয়।

বৈঠকত সন্থাই উত্থাপন কৰা ছটা মূল দাবীৰ সন্দৰ্ভত বিতং আলোচনা কৰা হয়। সন্থাৰ প্ৰতিনিধিসকলে জনোৱা মতে, বিভাগে দাবীসমূহৰ প্ৰতি ইতিবাচক সঁহাৰি জনাইছে আৰু সেয়া পূৰণৰ আশ্বাস দিছে। কিন্তু চৰকাৰৰ পৰা

লিখিত প্রতিশ্রুতি আৰু নির্দেশনা লাভ নকৰালৈকে বন্ধ প্রত্যাহাৰ কৰা নহ'ব বুলি সন্থাই স্পষ্ট কৰি দিছে।

সন্থাৰ অন্যতম প্রধান দাবী আছিল ৰাষ্ট্রীয় ঘাইপথত জেক লগাই বাহন দাঙি এছএলডি পৰীক্ষা কৰা পদ্ধতি বন্ধ কৰা। এই প্রক্রিয়া অত্যন্ত বিপজ্জনক আৰু ইয়াৰ ফলত পথ দুর্ঘটনাৰ সম্ভাৱনা বৃদ্ধি পায় বাবে ইয়াক তৎকালীনভাৱে বন্ধ কৰিবলৈ বিভাগে ব্যৱস্থা ল'ব লাগে বুলি সন্থাই দাবী জনায়।

আনহাতে, বাহনৰ নামত ৩০খন পর্যন্ত ই-চালান থকাৰ অভিযোগ তুলি বাহন জব্দ কৰি থানাত আৱদ্ধ কৰি ৰখাৰ বিষয়টোতো আপত্তি দর্শায় সন্থাই। এনে চালানসমূহ আদালতলৈ প্রেৰণ কৰাৰ দাবী জনোৱা হৈছে, যাতে ন্যায়ালয়ৰ জৰিয়তে সমগ্র বিষয়টোৰ নিষ্পত্তি হ'ব পাৰে।

ইয়াৰ উপৰি এছএলডি আৰু ভিএলডিটি প্রমাণ-পত্র আপলোড নোহোৱাৰ বাবে বাহনৰ ফিটনেছ, পার্মিট নৱীকৰণ আৰু বিশেষ পার্মিট লাভ কৰাত চালক-মালিকসকল সমস্যাৰ সন্মুখীন হৈছে বুলি সন্থাই অভিযোগ তোলে। এই প্রমাণ-পত্রসমূহ আপডেট কৰিবলৈ নির্দিষ্ট সময় দিয়াৰ লগতে পূর্বৰ দৰে এমভিআই পৰীক্ষাৰ জৰিয়তে বাহনৰ গতি-সীমা পৰীক্ষাৰ ব্যৱস্থা বাহাল ৰাখিবলৈ সন্থাই আহ্বান জনায়।

সন্থাৰ প্রতিনিধিয়ে উল্লেখ কৰা মতে, বিভাগে দাবীসমূহ বিবেচনা কৰি পৰৱর্তী সময়ত সময়সূচীসহ লিখিত নির্দেশনা দিয়াৰ কথা প্রকাশ কৰিছে। কিন্তু আনুষ্ঠানিকভাৱে লিখিত প্রতিশ্রুতি হাতত নপৰালৈকে এই চকাবন্ধ কার্যসূচী অব্যাহত থাকিব বুলি সদৌ অসম মটৰ পৰিবহণ সন্থাই পুনৰ স্পষ্ট কৰি দিয়ে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/6629/assam-motor-transport-association-strike-continues